ড° গকুল গগৈ, সহকাৰী অধ্যাপক, এম.চি.কলেজ

# বাক্যতত্ত্ব আৰু বাক্যৰ উপাদান

**বাক্য ঃ** মানুহে মনৰ ভাব প্ৰকাশ কৰিবলৈ কেতবোৰ ধ্বনিযুক্ত শব্দ আৰু পদৰ সমষ্টি ব্যৱহাৰ কৰে। এনেদৰে ব্যৱহাৰ কৰা, পূৰ্ণ বিৰামেৰে শেষ হোৱা আৰু সম্পূৰ্ণ অৰ্থ বহন কৰা এক বা একাধিক পদৰ সমষ্টিকে বাক্য বোলা হয়। আন ভাষাত, অৰ্থযুক্ত শব্দৰ দ্বাৰা সৃষ্ট স্পষ্ট বা সংগতিপূৰ্ণ পদসমূহক পাৰস্পৰিক একোটা সম্বন্ধেৰে বান্ধ খুৱাই বাক্য সজা হয়। অৰ্থাৎ পদৰ সমন্বিত ৰূপেই বাক্য।

**বাক্যতত্ত্ব ঃ** গ্ৰীক ভাষাৰ Syntaxis শব্দটোৰ পৰা নিষ্পন্ন হোৱা ইংৰাজী Syntax শব্দৰ সমাৰ্থক ৰূপত অসমীয়াত বাক্যতত্ত্ব শব্দটো ব্যৱহাৰ কৰা হয়। Syntax শব্দৰ Syn মানে together; taxis মানে an arranging; অৰ্থাৎ Systematic arrangement। বাক্যতত্ত্বই 'প্ৰণালীবদ্ধ গাঁথনি'কে বুজায়। অৰ্থাৎ বাক্য সম্বন্ধে কৰা বিজ্ঞানসন্মত আৰু প্ৰণালীবদ্ধ বিশ্লেষণকে বাক্যতত্ত্ব বোলে। ই বিশেষ একোটা ভাষাৰ বাক্যৰ গঠনৰীতি আৰু প্ৰকৃতি সম্পৰ্কে বিশ্লেষণ কৰে।

**বাক্যতত্ত্বৰ পৰিসৰ ঃ** ভাষাবিজ্ঞানৰ আন আন শাখাৰ দৰে বাক্যতত্ত্বৰ পৰিসৰো যথেষ্ট ব্যাপক। শব্দ আৰু পদৰ গঠন, বাক্যত পদবোৰৰ ক্ৰমাবদ্ধ সংস্থাপন, বাক্যৰ গঠন প্ৰক্ৰিয়া, বাক্যৰ প্ৰকাৰ, বাক্যৰ উপাদান, বাক্যৰ ৰূপান্তৰ, সুৰ, লয়, সুৰলহৰ, সন্ধি, বাক্যাংশ, নিকটস্থ বা আসন্ন অংগ বিচাৰ আদি বিভিন্ন দিশ বাক্যতত্ত্বই সামৰি লয়।

**বাক্যৰ উপাদান ঃ** বাক্য হৈছে পদৰ সমষ্টি। গতিকে বাক্যৰ গঠনত ব্যৱহাৰ হোৱা পদসমষ্টিয়েই হ'ল বাক্যৰ প্ৰধান উপাদান।পদ হৈছে বাক্যৰ আটাইতকৈ নিম্নতম গোট। গতিকে পদ গঠনৰপৰা পদৰ অৰ্থ বিশ্লেষণলৈকে যিবোৰ উপাদানে ক্ৰিয়া কৰে, সকলোকে বাক্যৰ উপাদান বুলি ধৰি ল'ব পাৰি। গোলোক চন্দ্ৰ গোস্বামীৰ মতে, "বাক্য ৰচিত হয় পদেৰে আৰু এই পদেই বাক্যৰ স্তৰত নিম্নতম ক্ষুদ্ৰ একক বা গোটবিশেষ। এনেধৰণৰ এটা বা একাধিক পদৰ সু-সংগঠনত বাক্যৰ সৃষ্টি হয়।"

ইয়াৰ উপৰি বাক্যত অৰ্থ পৰিৱৰ্তন ঘটাব পৰা সুৰ, সুৰলহৰ আৰু লিখিত ৰূপৰ ক্ষেত্ৰত বিৰামসূচক যতি চিহ্নবোৰো বাক্যৰ অন্যতম উপাদান। এইবোৰক উপাহিত উপাদান বুলি কোৱা হয়। যেনে ঃ

(ক) তুমি ভাত খালা। (নিশ্চয়সূচক)

(খ) তুমি ভাত খালা? (প্ৰশ্নসূচক)

(গ) তুমি ভাত খালা! (আশ্বৰ্যসূচক)

— উল্লিখিত বাক্যকেইটা বিৰাম চিহ্ন অনুসৰি আমি সুৰৰ পৰিৱৰ্তন কৰিলে অৰ্থৰ পাৰ্থক্য ঘটিব।